কিয়ামতৰ দিনা আগৰ পিছৰ সকলো মানুহ এনেকুৱা এটা ময়দানত একত্ৰিত হ'ব, য'ত এজন আহ্বানকাৰীৰ আহ্বান সকলোৱে শুনা পাব। লগতে সকলোৱে একেলগে দৃষ্টিগোচৰ কৰিব। সূৰ্য্য একেবাৰে নিকটৱৰ্তী হ'ব। মানুহ এনেকুৱা কষ্ট-ক্লেশ তথা যন্ত্ৰণাৰ সন্মুখীন হ'ব যিটো অসহনীয় তথা অসহ্যকৰ।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, এবাৰ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সন্মুখত মাংস অনা হ'ল, আৰু তেখেতক আগ ঠেঙৰ বাহু পৰিৱেশন কৰা হ'ল। তেখেতে এই মাংসটো বহুত ভাল পাইছিল। তেখেতে সেই মাংস লাগি থকা হাড়ডাল হাতত লৈ কামুৰি দিলে। ইয়াৰ পিছত ক'লেঃ মই কিয়ামতৰ দিনা মানৱজাতিৰ নেতা হ'ম। তোমালোকে জানানে ইয়াৰ কাৰণ কি? কিয়ামতৰ দিনা আগৰ পিছৰ সকলো মানুহ এনেকুৱা এটা ময়দানত একত্ৰিত হ'ব, য'ত এজন আহ্বানকাৰীৰ আহ্বান সকলোৱে শুনা পাব। লগতে সকলোৱে একেলগে দৃষ্টিগোচৰ কৰিব। সূৰ্য্য একেবাৰে নিকটৱৰ্তী হ'ব। মানুহ এনেকুৱা কষ্ট-ক্লেশ তথা যন্ত্ৰণাৰ সন্মুখীন হ'ব যিটো অসহনীয় তথা অসহ্যকৰ। তেতিয়া লোকসকলে কোৱাকুই কৰিবঃ তোমালোকে দেখা পোৱা নাইনে, তোমালোকৰ কি অৱস্থা হৈছে? তোমালোকে এনেকুৱা কোনো ব্যক্তিক অনুসন্ধান কৰি নুলিয়াবানে, যিয়ে তোমালোকৰ হৈ তোমালোকৰ প্ৰতিপালকৰ ওচৰত ছুপাৰিছ কৰিব? তেতিয়া সিহঁতে ইজনে সিজনক ক'বঃ তেন্তে বলা, আদমৰ ওচৰলৈ যাওঁ। তেতিয়া সিহঁত আদম আলাইহিচ্ছালামৰ ওচৰলৈ আহিব। সিহঁতে তেখেতক ক'বঃ আপুনি হৈছে মানৱজাতিৰ পিতা। আল্লাহে আপোনাক নিজ হাতেৰে সৃষ্টি কৰিছে, আৰু আপোনাৰ ভিতৰত তেওঁৰ ৰূহ সঞ্চাৰ কৰিছে, আৰু ফিৰিস্তাসকলৰ দ্বাৰা আপোনাক ছাজদাহ কৰোৱাইছে। গতিকে আমাৰ বাবে আপুনি আপোনাৰ প্ৰতিপালকৰ ওচৰত ছুপাৰিছ কৰক। আপুনি লক্ষ্য কৰা নাইনে আমি কি অৱস্থাত আছোঁ? আৰু আপুনি দেখা নাইনে আমাৰ অৱস্থা কি হ'বলৈ গৈ আছে? তেতিয়া আদম আলাইহিচ্ছালামে ক'বঃ নিশ্চয় মোৰ প্ৰতিপালক আজি যি পৰিমাণ ক্ৰোধান্বিত হৈ আছে, এনেকুৱা খং তেওঁ ইতিপূৰ্বে কেতিয়াও কৰা নাছিল আৰু ভৱিষ্যতেও কেতিয়াও নকৰিব। তেওঁ মোক এটা গছৰ ফল খাবলৈ নিষেধ কৰিছিল, কিন্তু মই অমান্য কৰি পেলাইছিলোঁ। নফছী, নফছী, নফছী, (মোৰ অৱস্থা কি হ'ব, মোৰ অৱস্থা কি হ'ব, মোৰ অৱস্থা কি হ'ব)। তোমালোকে বেলেগ কাৰোবাৰ ওচৰলৈ যোৱা। তোমালোকে নূহৰ ওচৰলৈ যোৱা। সিহঁতে নূহৰ ওচৰলৈ আহি ক'বঃ হে নূহ! আপুনি হৈছে পৃথিৱীৰ প্ৰথম ৰাছুল। মহান আল্লাহে আপোনাক কৃতজ্ঞ বান্দা বুলি আখ্যায়িত কৰিছে। গতিকে আপুনি আমাৰ বাবে আপোনাৰ প্ৰতিপালকৰ ওচৰত ছুপাৰিছ কৰক। আপুনি দেখা নাইনে আমাৰ অৱস্থা কি হৈছে? তেতিয়া তেওঁ ক'বঃ নিশ্চয় মোৰ প্ৰতিপালক আজি যি পৰিমাণ ক্ৰোধান্বিত হৈ আছে, এনেকুৱা খং তেওঁ ইতিপূৰ্বে কেতিয়াও কৰা নাছিল আৰু ভৱিষ্যতেও কেতিয়াও নকৰিব। মোৰ পক্ষত গ্ৰহণযোগ্য এটা দুআ আছিল, যিটো মই মোৰ উম্মতৰ বিৰুদ্ধে কৰি পেলাইছোঁ। নফছী, নফছী, নফছী, (মোৰ অৱস্থা কি হ'ব, মোৰ অৱস্থা কি হ'ব, মোৰ অৱস্থা কি হ'ব)। তোমালোকে বেলেগ কাৰোবাৰ ওচৰলৈ যোৱা। বৰং তোমালোকে ইব্ৰাহীমৰ ওচৰলৈ যোৱা। সিহঁতে ইব্ৰাহীমৰ ওচৰলৈ আহিব আৰু ক'বঃ হে ইব্ৰাহীম! আপুনি পৃথিৱীত আল্লাহৰ নবী আৰু খলীল আছিল। গতিকে আপুনি আমাৰ বাবে আপোনাৰ প্ৰতিপালকৰ ওচৰত ছুপাৰিছ কৰক। আপুনি দেখা নাইনে আমাৰ কি অৱস্থা হৈছে? তেতিয়া তেওঁ ক'বঃ নিশ্চয় মোৰ প্ৰতিপালক আজি যি পৰিমাণ ক্ৰোধান্বিত হৈ আছে, এনেকুৱা খং তেওঁ ইতিপূৰ্বে কেতিয়াও কৰা নাছিল আৰু ভৱিষ্যতেও কেতিয়াও নকৰিব। মই মোৰ জীৱনত তিনিটা মিছা কথা কৈছিলোঁ।

নফছী, নফছী, নফছী, (মোৰ অৱস্থা কি হ'ব, মোৰ অৱস্থা কি হ'ব, মোৰ অৱস্থা কি হ'ব)। তোমালোকে বেলেগ কাৰোবাৰ ওচৰলৈ যোৱা। বৰং তোমালোকে মুছাৰ ওচৰলৈ যোৱা। তেতিয়া সিহঁতে মুছা আলাইহিচ্ছালামৰ ওচৰলৈ আহি ক'বঃ হে মুছা! আপুনি হৈছে আল্লাহৰ এজন ৰাছুল। আল্লাহে আপোনাক ৰিছালত প্ৰদান কৰি আৰু আপোনাৰ সৈতে কথা পাতি আপোনাক মানুহৰ ওপৰত প্ৰাধান্য দিছিল। গতিকে আপুনি আমাৰ বাবে আপোনাৰ প্ৰতিপালকৰ ওচৰত ছুপাৰিছ কৰক। আপুনি চোৱা নাইনে, আমাৰ অৱস্থা কি হৈছে? তেতিয়া তেওঁ ক'বঃ নিশ্চয় মোৰ প্ৰতিপালক আজি যি পৰিমাণ ক্ৰোধান্বিত হৈ আছে, এনেকুৱা খং তেওঁ ইতিপূৰ্বে কেতিয়াও কৰা নাছিল আৰু ভৱিষ্যতেও কেতিয়াও নকৰিব। মই এনেকুৱা এজন লোকক হত্যা কৰিছিলোঁ, যাক হত্যা কৰিবলৈ মোক নিৰ্দেশ দিয়া হোৱা নাছিল। নফছী, নফছী, নফছী, (মোৰ অৱস্থা কি হ'ব, মোৰ অৱস্থা কি হ'ব, মোৰ অৱস্থা কি হ'ব)। তোমালোকে বেলেগ কাৰোবাৰ ওচৰলৈ যোৱা। বৰং তোমালোকে মাৰয়ামৰ পুত্ৰ ঈছাৰ ওচৰলৈ যোৱা। সিহঁতে ঈছাৰ ওচৰলৈ আহিব আৰু ক'বঃ হে ঈছা! আপুনি হৈছে আল্লাহৰ ৰাছুল আৰু তেওঁৰ কলিমা, যিটো তেওঁ মাৰয়ামৰ ওপৰত নিক্ষেপ কৰিছিল, লগতে আপুনি হৈছে তেওঁৰ ৰূহ। আপুনি দোলনাত থকা নৱজাতক অৱস্থাতে মানুহৰ সৈতে কথা ক'ব পাৰিছিল। গতিকে আপুনি আমাৰ বাবে ছুপাৰিছ কৰক। আপুনি আমাৰ অৱস্থা চোৱা নাইনে, আমি কি পৰিস্থিতিত আছোঁ? তেওঁ ক'বঃ নিশ্চয় মোৰ প্ৰতিপালক আজি যি পৰিমাণ ক্ৰোধান্বিত হৈ আছে, এনেকুৱা খং তেওঁ ইতিপূৰ্বে কেতিয়াও কৰা নাছিল আৰু ভৱিষ্যতেও কেতিয়াও নকৰিব। কিন্তু তেওঁ কোনো গুনাহৰ কথা উল্লেখ নকৰিব, আৰু ক'বঃ নফছী, নফছী, নফছী, (মোৰ অৱস্থা কি হ'ব, মোৰ অৱস্থা কি হ'ব, মোৰ অৱস্থা কি হ'ব)। তোমালোকে বেলেগ কাৰোবাৰ ওচৰলৈ যোৱা। বৰং তোমালোকে মুহাম্মদৰ ওচৰলৈ যোৱা। সিহঁতে মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'বঃ হে মুহাম্মদ! আপুনি হৈছে আল্লাহৰ ৰাছুল আৰু সৰ্বশেষ নবী। মহান আল্লাহে আপোনাৰ আগৰ পিছৰ সকলো গুনাহ ক্ষমা কৰিছে। গতিকে আপুনি আমাৰ বাবে আপোনাৰ প্ৰতিপালকৰ ওচৰত ছুপাৰিছ কৰক। আপুনি দেখিছেনে, আমাৰ কি অৱস্থা হৈছে? তেতিয়া মই মোৰ প্ৰতিপালকৰ আৰচৰ তলত আহি ছাজদাৱনত হ'ম। তেতিয়া মহান আল্লাহে তেওঁৰ প্ৰশংসা আৰু গুণগান কৰিবলৈ এনেকুৱা উত্তম নিয়ম দেখুৱাই দিব, যিটো ইতিপূৰ্বে কাৰো বাবেই উন্মুক্ত কৰা হোৱা নাছিল। ইয়াৰ পিছত কোৱা হ'বঃ হে মুহাম্মদ! মূৰ উঠোৱা, তুমি যি বিচাৰিবা সেইটোৱে তোমাক দিয়া হ'ব। তুমি ছুপাৰিছ কৰা, তোমাৰ ছুপাৰিছ গ্ৰহণ কৰা হ'ব। ইয়াৰ পিছত মই মোৰ মূৰ দাঙি ক'মঃ হে মোৰ প্ৰতিপালক! মোৰ উম্মত, হে মোৰ প্ৰতিপালক! মোৰ উম্মত, হে মোৰ প্ৰতিপালক! মোৰ উম্মত। ইয়াৰ পিছত কোৱা হ'বঃ হে মুহাম্মদ! তোমাৰ উম্মতৰ মাজৰ যিসকলৰ কোনো হিচাপ-নিকাচ নহ'ব, সিহঁতক জান্নাতৰ সোঁফালৰ দুৱাৰেৰে প্ৰৱেশ কৰোৱাই দিয়া। এই দুৱাৰৰ বাহিৰেও বেলেগ
দুৱাৰেৰেও সিহঁত প্ৰৱেশ কৰিব পাৰিব। এই হাদীছ বৰ্ণনা কৰি তেখেতে কৈছেঃ শপত সেই সত্ত্বাৰ, যাৰ হাতত মোৰ প্ৰাণ আছে, জান্নাতৰ প্ৰতিটো দুৱাৰৰ প্ৰশস্ততা হৈছে মক্কা আৰু হিময়াৰৰ মাজৰ দূৰত্বৰ সমান। অথবা মক্কা আৰু বাচৰাৰ মাজৰ দূৰত্বৰ সমান।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লাম চাহাবাসকলৰ সৈতে এটা ভোজনৰ বৈঠকত আছিল। তাত তেখেতক ছাগলীৰ আগঠেঙৰ বাহু খাবলৈ দিয়া হৈছিল, তেখেতে এইটো মাংস খাই বহুত ভাল পাইছিল। তেখেতে সেইটোত এটা কামোৰ মাৰিলে। ইয়াৰ পিছত তেখেতে হাদীছ বৰ্ণনা কৰি ক'লেঃ কিয়ামতৰ দিনা মই হ'ম আদম সন্তানৰ নেতা তথা চৰ্দাৰ। নিঃসন্দেহে তেখেত আদম সন্তানৰ নেতা, কিন্তু তেখেতে আল্লাহৰ নিয়ামতৰ কথা উল্লেখ কৰি এইটো বৰ্ণনা কৰিছে। ইয়াৰ পিছত তেখেতে কৈছেঃ তোমালোকে জানানে এইটো কেনেকৈ হ'ব? তেখেতে কৈছেঃ কিয়ামতৰ দিনা সমগ্ৰ মানৱজাতিক এটা প্ৰশস্ত সমতল ভূমিত একত্ৰিত কৰা হ'ব। তাত থকা সকলোৱে একেলগে ঘোষণাকাৰীৰ ঘোষণা শুনিবলৈ পাব, প্ৰত্যক্ষকাৰীয়ে সকলোকে প্ৰত্যক্ষ কৰিব, তেওঁৰ পৰা কোনেও গোপন নাথাকিব। কোনেও নিজকে গোপন কৰিবও নোৱাৰিব। প্ৰত্যেককে দেখা পোৱা যাব আৰু প্ৰত্যেকৰে কথা শুনা যাব। যদি কোনোবাই কথা কয়, শেষৰ ব্যক্তিজনেও শুনা পাব, আৰু দৃষ্টিয়ে সিহঁতক দেখা পাব। সূৰ্য্য মানুহৰ পৰা এক মাইল দূৰত্বত থাকিব। সিহঁতক অসহনীয় কষ্ট আৰু অসহ্যকৰ ক্লান্তি

আপুনি আমাৰ বাবে শ্বাফাআত কৰক। আপুনি দেখা নাইনে আমি কেনেকুৱা অৱস্থাত আছোঁ? তেতিয়া মই আৰচৰ তলত আহি মোৰ সৰ্বশক্তিমান প্ৰতিপালকৰ ছাজদাত পৰিম। তেতিয়া আল্লাহে মোৰ বাবে তেওঁৰ প্ৰশংসা কৰাৰ কাৰণে হাম্দ অ ছানাৰ দুৱাৰ মুকলি কৰি দিব, মোৰ বাহিৰে ইতিপূৰ্বে এই দুৱাৰ কাৰো বাবে খোলা নাছিল। ইয়াৰ পিছত কোৱা হ'বঃ হে মুহাম্মদ! মূৰ তোলা, তুমি যি মাগিবা সেইটোৱে পাবা। তুমি শ্বাফাআত কৰা, তোমাৰ শ্বাফাআত কবূল কৰা হ'ব। তেতিয়া মই ক'মঃ হে মোৰ প্ৰতিপালক! মোৰ উম্মত। হে মোৰ প্ৰতিপালক! মোৰ উম্মত। হে মোৰ প্ৰতিপালক! মোৰ উম্মত। তেতিয়া মোৰ শ্বাফাআত কবূল কৰা হ'ব। ইয়াৰ পিছত কোৱা হ'বঃ হে মুহাম্মদ! তোমাৰ উম্মতৰ যিসকলৰ হিচাপ-নিকাচ নহ'ব, সিহঁতক জান্নাতৰ সোঁফালৰ দুৱাৰেৰে প্ৰৱেশ কৰোৱা। সিহঁত এই দুৱাৰৰ বাহিৰে বেলেগ দুৱাৰেৰেও প্ৰৱেশ কৰিব পাৰিব। হাদীছটো বৰ্ণনা কৰাৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ শপত সেই সত্ত্বাৰ, যাৰ হাতত মোৰ প্ৰাণ আছে, নিশ্চয় জান্নাতৰ দুৱাৰৰ প্ৰশস্ততা হৈছে মক্কাৰ পৰা য়ামানৰ চানাআৰ মাজৰ দূৰত্বৰ সমান। অথবা মক্কাৰ পৰা বুচৰাৰ মাজৰ দূৰত্বৰ সমান। এইটো হৈছে ছিৰিয়াত অৱস্থিত হাওৰান চহৰ।

http://www.sunnah.global/hadeeth/as/show/8345